# H.S. Pre-Final Examination, 2021

## Subject : Advance Assamese

Total Marks : 100 Time : 3 Hours

১। অতি চমু উত্তৰ দিয়া। (যিকোনো ৬ টা) ১× ৬ = ৬

(ক) 'বৰ্ষা বৰ্ণন' কবিতাটি ক'ৰ পৰা লোৱা হৈছে ?

(খ)' মানৱ বন্দনা' কবিতাটিৰ কবি কোন ?

(গ) জোনাকী কাকত কিমান চনত প্ৰকাশ পায়?

(ঘ) 'জন্মান্তৰ' শব্দটোৰ অৰ্থ কি?

(ঙ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত এখন নাটকৰ নাম লিখা।

(চ) প্ৰথম অসমীয়া কথাছবিখনৰ নাম কি?

(ছ) শংকৰদেৱৰ জন্ম ক'ত হৈছিল?

(জ) ডিম্বেশ্বৰ নেওগক কি কবি বুলি কোৱা হয়?

২। চমু উত্তৰ দিয়া। (যিকোনে দুটা) ২ ×২ = ৪

(ক) মহাপুৰুষ শংকৰদেৱৰ দুখন নাটকৰ নাম লিখা।

(খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' কাব্যপুথিৰ প্ৰসংগত বেজবৰুৱাই কি উক্তি আগবঢ়াইছিল?

৩। বহলাই লিখা। (যিকোনো এটা) ৫ x ১ = ৫

(ক) মহাদেৱৰ গুণ আৰু কাৰ্য কাঞ্চনজঙ্ঘাত কিয় আৰোপ কৰা হৈছে?

(খ) 'মোৰ গাঁও কবিতাটিত প্ৰকাশ পোৱা কবিৰ অতীত ৰোমন্থনৰ এটি বিৱৰণ দিয়া।

৪। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা (যিকোনো এটা) ৫ x ১ = ৫

(ক) যদ্যাপি মৃষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্ব্বতে পীড়া কিছো নজানিল।।
যিজনৰ মন ভৈল কৃষ্ণত প্ৰবেশ।
তাক যেন লঙ্ঘিবে নপাৰে দুখক্লেশ।।

(খ) মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ।

৪। অতি চমু উত্তৰ লিখা। (যিকোনো চাৰিটা) ১×৪ = ৪

(ক) মাধৱদেৱৰ গুৰু কোন আছিল?

(খ) সৃজাম্যহম শব্দটোৰ অৰ্থ কি?

(গ) বিহু শব্দৰ উৎপত্তি ক'ৰ পৰা হৈছে ?

PTO

(ঘ) মণিপুৰত প্ৰচলিত নৃত্যবিধৰ নাম কি?

(ঙ) মিৰিজীয়ৰী কিমান চনত প্ৰকাশ পায় ?

৫। চমু উত্তৰ দিয়া। (যিকোনো তিনিটা) ২x ৩ =৬

(ক) 'ধৰ্মগ্লানি' মানে কি?

(খ) অৰ্থবেদৰ বিষয়ে লিখা।

(গ) ৰজনীকান্ত বৰদলৈৰ দুখন উপন্যাসৰ নাম লিখা।

(ঘ) গণেশ চন্দ্ৰ হাজৰিকাই বিহু সম্পৰ্কে আগবঢ়োৱা মন্তব্যটো লিখা।

৬। বহলাই লিখা। (যিকোনা দুটা) ৫ ×২ = ১০

(ক) মাধৱদেৱৰ ঋণ অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে। কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(খ) বিহুৰ উৎপত্তি আৰু বিহুনৃত্য সম্বন্ধে ভিন্নজনে আগবঢ়োৱা মন্তব্যসমূহ চমুকৈ আলোচনা কৰা।

(গ) বিহু এক ধৰ্মীয় অনুষ্ঠান- বিহুক ধৰ্মীয় অনুষ্ঠান বুলি কোৱাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

৭। অতি চমু উত্তৰ দিয়া। (যিকোনো তিনিটা) ১ ×৩= ৩

(ক) 'কপিলীপৰীয়া সাধু' উপন্যাসৰ ঔপন্যাসিকৰ নাম লিখা।

(খ) ৰূপাইৰ পাঠশালাৰ পণ্ডিতগৰাকীৰ নাম কি?

(গ) ৰূপাইৰ গাঁওখনৰ নাম কি?

(ঘ) ৰূপাইৰ প্ৰেমিকাগৰাকীৰ নাম কি?

৮। চমু উত্তৰ দিয়া। (যিকোনো এটা) ২× ১= ২

(ক) 'কপিলীপৰীয়া সাধু' উপন্যাসখনত উল্লেখ কৰা গোৱালপৰীয়া এৰাবাৰীখনৰ বিষয়ে লিখা।

(খ) নৱকান্ত বৰুৱাৰ দুখন উপন্যাসৰ নাম লিখা।

৯। বহলাই লিখা। (যিকোনো দুটা) ৫x ২ =১০

(ক) 'কপিলীপৰীয়া সাধ' উপন্যাসখনৰ প্ৰথমভাগত উল্লেখ থকা বানপানীৰ বৰ্ণনাটো লিখা।

(খ) ৰূপাইৰ চৰিত্ৰটো বৰ্ণনা কৰা।

(গ) আঞ্চলিক উপন্যাস হিচাপে 'কপিলীপৰীয়া সাধু' উপন্যাসৰ এটি আলোচনা আগবঢ়োৱা।

১০। অতি চমু উ্তৰ দিয়া। (যিকোনো পাঁচটা) ১ x৫= ৫

(ক) বলোৰাম মেধিৰ হাতীটোৰ নাম কি ?

(খ) হাতী গল্পটিৰ লিখক কোন?

(গ) বলোৰাম মেধিৰ হাতীটোৰ মাউতজনৰ নাম কি?

(ঘ) 'হাতী' গল্পটিত কাৰ বিয়াৰ কথা কোৱা হৈছে?

(ঙ) বলোৰাম মেধিৰ ঘৰৰ ড্ৰাইভাৰজনৰ নাম কি?

(চ) ৰামধেনু যুগৰ এজন গল্পকাৰৰ নাম লিখা।

১১। বহলাই লিখা। (যিকোনো এটা) ৫ x ১ ৫

(ক) 'হাতী' গল্পত মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ কেনেদৰে অংকিত হৈছে, তাৰ এটি আভাস দিয়া।

(খ) প্ৰজন্মৰ ব্যৱধানে মূল্যবোধৰ অৱক্ষয়ত কেনেধৰণৰ অৰিহনা যোগাইছে, 'হাতী' গল্পৰ আধাৰত বিশ্লেষন কৰা।

১২। উপন্যাস কাক বোলে? উপন্যাসৰ উপাদানসমূহৰ বিষয়ে বহলাই আলোচনা কৰা। ২+ ৮= ১০

১৩। অলংকাৰ কাক বোলে? শব্দালংকাৰ আৰু অৰ্থালংকাৰৰ বিষয়ে লিখা। ২ +৪= ৬

১৪। যিকোনো দুটা অলংকাৰৰ বিষয়ে লিখা। ২+২= ৪

অনুপ্ৰাস, যমক, উপমা, অপ্ৰস্তুত-প্ৰশংসা

১৫। চুটিগল্পৰ জনক কোন? দুখন অসমীয়া চুটিগল্পপুথিৰ নাম লিখা। ১+৪= ৫

১৬। চুটিগল্প কাক বোলে? চুটিগল্পৰ বৈশিষ্ট্যসমূহ বহলাই আলোচনা কৰা। ২ +৮= ১০

***

***